**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। কেন্দ্ৰীয় চৰকাৰে অপাৰেচন সিন্দূৰকে ধৰি বিভিন্ন অভিযানৰ সময়ত অদম্য সাহসৰ পৰিচয় দিয়া প্ৰতিৰক্ষা কৰ্মীসকলক সাহসিকতাৰ বঁটা প্ৰদান কৰিবলৈ চৰকাৰী অধিসূচনা জাৰি কৰিছে

২। উৎসৱৰ বতৰত যাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত ৰে'ল বিভাগে প্ৰায় ৭ হাজাৰ ৮০০ খন বিশেষ ৰে'ল চলাচল কৰোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। নৌ সেনা বাহিনীৰ কমাণ্ডাৰসকলৰ দ্বিবাৰ্ষিক সন্মিলন আজি নতুন দিল্লীত আৰম্ভ হ'ব।

৪। কেন্দ্ৰীয় চৰকাৰৰ **উড়ান**ৰ জৰিয়তে বিগত ৯ বছৰত ৩ লাখ ২৩ হাজাৰখন বিমানযোগে এক কোটি ৫৬ লাখতকৈও অধিক যাত্ৰীয়ে সুচল যাতায়াতৰ সুযোগ লাভ কৰিছে। ***আৰু***

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি কলম্বোত অনুষ্ঠিত এখন খেলত দক্ষিণ আফ্ৰিকাই পাকিস্তানক ১৫০ ৰানত পৰাস্ত কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে অপাৰেচন সিন্দূৰকে ধৰি বিভিন্ন অভিযানৰ সময়ত অদম্য সাহসৰ পৰিচয় দিয়া প্ৰতিৰক্ষা কৰ্মীসকলক সাহসিকতাৰ বঁটা প্ৰদান কৰিবলৈ চৰকাৰী অধিসূচনা জাৰি কৰিছে। এই অধিসূচনাৰ অন্তৰ্গত প্ৰশস্তি পত্ৰত বায়ুসেনা আৰু স্থলসেনাৰ জোৱানসকলক অন্তৰ্ভুক্ত কৰা হৈছে। এই প্ৰশস্তি পত্ৰত কৰ্নেল ক'শ্বাংক লাম্বা আৰু লেফটেনেণ্ট কৰ্নেল সুশীল বিষ্টৰ দৰে বীৰসকলক অন্তৰ্ভুক্ত কৰা হৈছে। কৰ্নেল ক'শ্বাংক লাম্বাক গুলীবৰ্ষণৰ মাজতে অসাধাৰণ সাহস, পৰাক্ৰম আৰু বীৰত্ব প্ৰদৰ্শনৰ বাবে **বীৰচক্ৰ** সন্মানেৰে সন্মানিত কৰা হৈছে। আনহাতে লেফটেনেণ্ট কৰ্নেল সুশীল বিষ্টকো **বীৰচক্ৰ** বঁটাৰে সন্মানিত কৰা হৈছে। অভিযানৰ সময়ত শ্ৰীবিষ্টে অসাধাৰণ সাহস, নেতৃত্ব আৰু পৰিচালনাৰ মেধা প্ৰদৰ্শন কৰিছিল। তেওঁ সন্ত্ৰাসবাদীৰ ঘাটি সম্পূৰ্ণৰূপে ধ্বংস কৰি অভিযানক সফলতাৰ শিখৰলৈ লৈ গৈছিল।

ফাইটাৰ পাইলট গ্ৰুপ কেপ্তেইন ৰঞ্জিত সিং সিদ্ধু আৰু অনিমেশ পাটনীকো **বীৰচক্ৰ** বঁটাৰে সন্মানিত কৰা হৈছে। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সশস্ত্ৰ বাহিনী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ জোৱানসকলক ১২৭টা সাহসিকতাৰ বঁটা আৰু ৪০টা বিশিষ্ট সেৱাৰ বঁটাৰ বাবে অনুমোদন জনাইছিল।

ooooo

ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে দীপাৱলী আৰু ষট পূজাৰ পৰিপ্ৰেক্ষিতত যাত্ৰীৰ সংখ্যা আশাব্যঞ্জকভাৱে বৃদ্ধি পোৱাৰ ফলত ৰে'ল বিভাগে প্ৰায় ৭ হাজাৰ ৮০০ খন বিশেষ ৰে'ল চলাচল কৰোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উৎসৱৰমুখৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰখাৰ উদ্দেশ্যে ৱাৰ ৰুমো স্থাপন কৰিছে। মন্ত্ৰীগৰাকীয়ে কালি নতুন দিল্লী ৰে'ল ষ্টেচন পৰিদৰ্শন কৰি উৎসৱৰ বতৰত যাত্ৰীসকলৰ সুবিধাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহ পৰ্যবেক্ষণ কৰে। নতুন দিল্লী ৰে'ল ষ্টেচন পৰিদৰ্শনৰ পূৰ্বে তেওঁ ৰে'ল ভৱন

ৰাৰ ৰুমৰ পৰা বিশেষ ৰে’লৰ তথ্যসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। যাত্ৰীসকলৰ সুবিধা নিশ্চিত কৰাৰ বাবে ৰে’ল বিভাগৰ বিষয়াসকলক ইতিমধ্যে বিশেষ নিৰ্দেশনা জাৰি কৰা হৈছে।

উল্লেখযোগ্য যে ৰে’ল বিভাগ নিৰ্মাণ কৰা ৱাৰ ৰুম এক ফলপ্ৰসূ ব্যৱস্থালৈ ৰূপান্তৰিত হৈছে আৰু বৰ্তমান ৮০টাতকৈও অধিক ৱাৰ ৰুম কাৰ্যক্ষম হৈ আছে।

ভাৰতীয় ৰে’লৱেই উৎসৱৰ ভিতৰত ১২ হাজাৰ ১১ খন বিশেষ ৰে’ল চলাচল কৰোৱাই আছে, যাৰ সংখ্যা ২০২৪ চনত ৭ হাজাৰ ৭২৪ খন আছিল। তদুপৰি নিয়মীয়া ৰে’ল সেৱাৰ উপৰি ২০২৫ চনৰ পহিলা অক্টোবৰৰ পৰা ৪ হাজাৰ ২১১ খন বিশেষ ৰে’ল কৰোৱা হৈছে যাৰ দ্বাৰা এক কোটিৰে অধিক যাত্ৰী উপকৃত হৈছে।

০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি দীপাৱলীৰ শুভেচ্ছা জনায়। শ্ৰীমতী গুপ্তাই প্ৰধানমন্ত্ৰী দিল্লীৰ উন্নয়নমূলক কাম-কাজ, স্বচ্ছ যমুনা অভিযান আৰু সমাগত ষট পূজাৰ প্ৰস্তুতিৰ সম্পৰ্কে অৱগত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ চৰকাৰে যমুনাক পুনৰুজ্জীৱিতকৰণৰ বাবে অব্যাহত থকা প্ৰচেষ্টাৰ বিষয়েও শ্ৰীমোদীক জনায়। নলা-নৰ্দমাৰ পৰিশোধন ক্ষমতা বৃদ্ধি, ঔদ্যোগিক পানী নিৰ্গমনৰ ওপৰত কঠোৰ পৰীক্ষণ কৰি নৈখনক পৰিষ্কাৰ আৰু প্ৰদূষণমুক্ত কৰাৰ বাবে দিল্লী চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ কয়। শ্ৰীমতী গুপ্তাই কয়, যে নৈৰ পাৰত গ্ৰীন বেল্ট গঢ়ি তোলা হৈছে আৰু নৈত অবৈধভাৱে আৱৰ্জনা পেলোৱা ৰোধৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

অহা ২৫ অক্টোবৰৰ পৰা ২৮ অক্টোবৰলৈ উদযাপন কৰিবলগীয়া ষট পূজা সন্দৰ্ভত দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ভক্তসকলে যাতে পৰিষ্কাৰ, পৰিচ্ছন্ন আৰু সংগঠিতভাৱে এই উৎসৱ উদযাপন কৰিব পাৰে তাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। যমুনাৰ দুয়ো পাৰৰ ঘাটত উপযুক্ত পোহৰ, খোৱাপানী, অনাময়, চিকিৎসা আৰু নিৰাপত্তাৰ উপযুক্ত ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীয়ে নৱনিৰ্মিত উৰণ সেতু, উন্নত ৰাজহুৱা পৰিবহণ আৰু সম্প্ৰসাৰিত ৰাজহুৱা পৰিবহণ ব্যৱস্থাকে ধৰি বিভিন্ন কল্যাণমূলক আৰু আন্তঃগাঁথনি প্ৰকল্পৰ বিষয়েও শ্ৰীমোদীক অৱগত কৰে। এখন আধুনিক পৰিষ্কাৰ আৰু নাগৰিক অনুকুল ৰাজধানী নিৰ্মাণেৰে বিকশিত দিল্লীৰ বাবে কাম কৰি থকা বুলিও শ্ৰীমতী গুপ্তাই কয়।

০০০০০

নৌ সেনা বাহিনীৰ কমাণ্ডাৰসকলৰ দ্বিবাৰ্ষিক সন্মিলন আজি নতুন দিল্লীত আৰম্ভ হ’ব। অপাৰেচন সিন্দূৰ আৰু নৌ সেনাবাহিনীৰ অভিযান তথা যুদ্ধ প্ৰতিৰোধ প্ৰস্তুতিৰ বাবে এই সন্মিলন অধিক গুৰুত্বপূৰ্ণ হৈ উঠিছে। এই সন্মিলনত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু কেবিনেট সচিবে নৌ সেনাবাহীনৰ কমাণ্ডাৰসকলক উদ্দেশি ভাষণ দিব আৰু বৃহত্তৰ ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ দৃষ্টিভংগীৰ গুৰুত্বৰ বিষয়ে বিশ্লেষণ আগবঢ়াব। চীফ অৱ ডিফেন্স ষ্টাফ আৰু বায়ু সেনা বাহিনীৰ মুৰববীয়েও সন্মিলনত ভাষণ দিব।

০০০০০

আঞ্চলিক যোগাযোগ আঁচনি **উড়ে দেশ কা আম নাগৰিক** উড়ানৰ জৰিয়তে বিগত ৯ বছৰত এক কোটি ৫৬ লাখতকৈও অধিক যাত্ৰীয়ে তিনি লাখ ২৩ হাজাৰখন বিমানযোগে সুচল যাতায়াতৰ সুযোগ লাভ কৰিছে বুলি অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ নীতিৰ

অধীনত ২০১৬ চনৰ ২১ অক্টোবৰত উড়ান আঁচনিখন মুকলি কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে ১৫টা হেলিপৰ্ট আৰু দুটা জল বিমানবন্দৰসহ ৯৩টা অকাৰ্যক্ষম আৰু কম কাৰ্যক্ষম বিমান বন্দৰক সংযুক্ত কৰি ৬৪৯টা পথেৰে বিমান পৰিবহণ কাৰ্যকৰী হৈছে। এই আঁচনিৰ ৯ বছৰ পূৰ্তি উপলক্ষে নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত ভাষণ দি অসামৰিক বিমান পৰিবহণ সচিব সমীৰ কুমাৰ সিনহাই সাধাৰণ নাগৰিকৰ বাবে বিমান যাত্ৰা সুলভ আৰু সুচল কৰি তোলাৰ উদ্দেশ্যে গ্ৰহণ কৰা উড়ান আঁচনিক এটা ৰূপান্তৰকৰণ পদক্ষেপ বুলি অভিহিত কৰে। সম্প্ৰসাৰিত উড়ান পৰিকাঠামোৰ জৰিয়তে ২০২৭ চনৰ পাছলৈও এই আঁচনিৰ কাম অব্যাহত ৰখাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়েও তেওঁ দোহাৰে। ইয়াৰ জৰিয়তে ১২০টা নতুন লক্ষ্যস্থানৰ উন্নয়নৰ লগতে পাহাৰীয়া, উত্তৰ পূৰ্বাঞ্চল আৰু অভিলাষী অঞ্চলৰ সৈতে যোগাযোগত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে অহা ১ নৱেম্বৰৰ পৰা চীনা সামগ্ৰীৰ ওপৰত ১৫৫ শতাংশ শুল্ক আৰোপ কৰা হ'ব বুলি ঘোষণা কৰিছে। দেশখনৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰখাৰ ইচ্ছা থকাৰ পাছতো এই সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি ট্ৰাম্পে প্ৰকাশ কৰিছে। ৰাছিয়াৰ পৰা সৰ্বাধিক তেল আমদানিকাৰী হিচাপে চীনে একপক্ষীয় ব্যৱসায়িক নীতি গ্ৰহণ কৰাৰ ফলত হোৱা আমেৰিকাৰ ক্ষতিৰ বাবে ই এক উচিত প্ৰত্যুত্তৰ হ'ব বুলি তেওঁ কয়।

ooooo

পাকিস্তানৰ খাইবাৰ পাখতুনখ্ৱা চৰকাৰে কালি নিষিদ্ধ ঘোষিত তেহৰিক-ই-তালিবান-পাকিস্তান, টিটিপিৰ কামাণ্ডাৰ কাজিমৰ শিৰৰ বাবে ১০ কোটি পাকিস্তানী মূল্যৰ পুৰস্কাৰ ঘোষণা কৰিছে। শেহতীয়াকৈ পাকিস্তানী সেনাবাহিনীৰ এজন লেফটেনেণ্ট কৰ্নেল আৰু এজন মেজৰৰ হত্যাত কাজিম জড়িত আছিল বুলি সন্দেহ কৰা হৈছে। জিলা প্ৰশাসনৰ এজন বিষয়াই জনোৱা মতে কুৰম জিলাৰ বাসিন্দা কাজিম পাৰাচিনালৈ গৈ থকা এটা সেনাবাহিনীৰ কনভয় আৰু ছিয়া সম্প্ৰদায়ৰ যাত্ৰীবাহী বাহন এখনৰ ওপৰত হোৱা আক্ৰমণতো তেওঁ জড়িত থকাৰ তথ্য পোৱা গৈছে। কুৰমৰ উপায়ুক্ত জাভেদউলাহ মেছুদক হত্যাৰ চেষ্টা কৰাৰ অপৰাধৰো তেওঁ অভিযুক্ত। কাজিমৰ আন তিনিজন সহযোগীৰ বাবেও চৰকাৰে বৃহৎ পৰিমাণৰ ধনৰ পুৰস্কাৰ ঘোষণা কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৬ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কী বাতৰ ১২৭ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০-১১-৭৮০০ বিনামূলীয়া নম্বৰত ফোন কৰি এই খণ্ডটিৰ বাবে দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ আৰু মাই গভ মুকলি মঞ্চৰ যোগেদিও দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। ২৪ অক্টোবৰ পৰ্যন্ত আগবঢ়োৱা দিহা-পৰামৰ্শসমূহ আগবঢ়োৱা হ'ব।

ooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কলম্বোত কালি নিশা বৰ্ষাবিঘ্নিত ৰাউণ্ড ৰবীন লীগ খেলত দক্ষিণ আফ্ৰিকাই পাকিস্তানক ১৫০ ৰানত পৰাস্ত কৰে। ডি এল এছ্ পদ্ধতিৰে দলটোৰে মেৰিজেন কেপৰ অলৰাউণ্ড প্ৰদৰ্শন আৰু লৌৰা ৱলভাৰ্ডট্ছৰ ৯০ ৰানৰ সহায়ত পাকিস্তানক পৰাস্ত কৰে। বৰষুণৰ বাবে আৰম্ভ হওঁতে বিলম্ব হোৱাৰ পাছত খেলখন ৪০ অভাৰত সীমিত কৰা হয়। দক্ষিণ আফ্ৰিকাই ৯টা

উইকেটৰ বিনিময়ত ৩১২ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ছুনে লুছে ৬১ মেৰিজেন কেপে ৬৪ ৰানৰ বৰঙণি আগবঢ়ায়। এই জয়ৰ ফলত দক্ষিণ আফ্রিকা পইণ্ট তালিকাৰ শীৰ্ষত অধিষ্ঠিত হোৱাৰ লগতে প্ৰতিযোগিতাৰ পৰা পাকিস্তানৰ বিদায় নিশ্চিত কৰে। ৬ খন খেলৰ পৰা দক্ষিণ আফ্রিকাই এতিয়ালৈকে ১০ পইণ্ট অৰ্জন কৰিছে।

ooooo

সমাপ্ত